# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-08-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*

*- - - - - - - - - - - - - - - - - - - - -*

## *HEADLINES*

১। ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত নগৰ অঞ্চলৰ কৃত্ৰিম বান ৰোধৰ বাবে অসম বিধানসভাৰ সমাগত শৰতকালীন অধিবেশনত নতুন বিধেয়ক উত্থাপনৰ সিদ্ধান্ত গ্ৰহণ।

২। লোকনিৰ্মাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগত এহেজাৰ ১২৭ গৰাকী প্ৰাৰ্থীক ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰদান।

পাৰস্পৰিক বুজাবুজিৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিয়ালৰ বদলিৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে শীঘ্ৰে প'ৰ্টেল আধাৰিত ব্যৱস্থা আৰম্ভ কৰিব বুলি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্বাধীনতা দিৱস উদযাপনৰ ব্যাপক প্ৰস্তুতি। জিলাই জিলাই হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ আয়োজন।

৪। পেৰিছ অলিম্পিকত অংশগ্ৰহণ কৰি অসমলৈ উভতি অহা বক্সাৰ লাভলীনা বৰগোহাঁইক গুৱাহাটীত সম্বৰ্ধনা।

**আৰু**

৫। গুৱাহাটীত অনুষ্ঠিত আন্তঃজিলা বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড দলীয় শাখাত কামৰূপৰ খিতাপ।

00000

দিছপুৰত আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত নগৰ অঞ্চলৰ কৃত্ৰিম বান ৰোধৰ বাবে নতুন বিধেয়ক উত্থাপনৰ সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত মন্ত্ৰী কেশৱ মহন্ত আৰু যোগেন মহনে সংবাদমেলযোগে কয় যে অসম বিধানসভাৰ শৰতকালীন অধিবেশনত এই বিধেয়ক উত্থাপন কৰা হ'ব। অহা বছৰৰ পৰা মাটিৰ খাজনা অফলাইনযোগে দিয়া সন্দৰ্ভতো বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। পেঞ্চন সহায় কেন্দ্ৰ শিক্ষা বিভাগৰ অধীনলৈ অনাৰ ক্ষেত্ৰতো বৈঠকে অনুমোদন জনায়।

00000

ৰাজ্য চৰকাৰে আজি কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত লোকনিৰ্মাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগত এহেজাৰ ১২৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰে। ইয়াৰ লগে লগে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি প্ৰদান কৰা এক লাখ নিযুক্তিৰ ভিতৰত ৯৯ হাজাৰ ৯৭টা নিযুক্তি সম্পূৰ্ণ হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে কেইগৰাকীমান প্ৰাৰ্থীক নিযুক্ত পত্ৰ বিতৰণ কৰে। শীঘ্ৰেই এক লাখ নিযুক্তি সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। আৰু মাত্ৰ ৯০৩টা নিযুক্তিৰ পিছতে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি পূৰণৰ দিশত ১০০ শতাংশ সফল হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। লোকনিৰ্মাণ বিভাগত নিযুক্তিপ্ৰাপ্ত

অভিযন্তাসকলক উদ্দেশ্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, শিক্ষাৰ্থী জীৱনত তেওঁলোকে লাভ কৰা কাৰিকৰী জ্ঞানসমূহ কৰ্মক্ষেত্ৰত কিদৰে প্ৰয়োগ কৰিব, তাৰ প্ৰতি লক্ষ্য ৰখাটো অতিকৈ প্ৰয়োজনীয়। নিযুক্তিপ্ৰাপ্ত অভিযন্তাসকলক নিজ দায়িত্ব নিষ্ঠাৰে পালনৰ লগতে আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত গুণগত দিশ ৰক্ষাৰ অৰ্থে কৰ্মক্ষেত্ৰত নিৰীক্ষণৰ ব্যৱস্থা বৃদ্ধি কৰিবলৈ তেওঁ আহ্বান জনায়। চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগত প্ৰদান কৰা নিযুক্তিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, নগাঁও, নলবাৰী, কোকৰাঝাৰ আৰু তিনিচুকীয়াত নতুনকৈ নিৰ্মাণ হোৱা ৪ খন চিকিৎসা মহাবিদ্যালয়ত আজি ৮১২ গৰাকী ষ্টাফ নাৰ্ছ নিযুক্তি দিয়া হয়।

অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয় যে, পাৰস্পৰিক বুজাবুজিৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিয়ালৰ বদলিৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে শীঘ্ৰে প'ৰ্টেল আধাৰিত ব্যৱস্থা আৰম্ভ কৰিব। লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই চৰকাৰী চাকৰিয়ালৰ দৰমহাৰ ক্ষেত্ৰত নতুন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰৰ কোনো এগৰাকী বিবাহিত কৰ্মচাৰীৰ মৃত্যু হ'লে কৰ্মচাৰীগৰাকীৰ অৱশিষ্ট চাকৰি কালৰ দৰমহা প্ৰতিমাহে কৰ্মচাৰীগৰাকীৰ পত্নীক প্ৰদান কৰি আহিছে। বৰ্তমান চৰকাৰে এই ব্যৱস্থাৰ কিছু সালসলনি ঘটাই অনুকম্পামূলক ধনৰাশিৰ ২০ শতাংশ মৃত্যু হোৱা কৰ্মচাৰীগৰাকীৰ পিতৃ-মাতৃক প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি তেওঁ সদৰি কৰে।

০০০০০

দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্বাধীনতা দিৱস উদযাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। গুৱাহাটীৰ খানাপাৰাত পৰহিলৈ হ'বলগীয়া স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আৰক্ষী বেটেলিয়ন, অৰ্ধসামৰিক বাহিনী আৰু এন চি চিৰ দলসমূহে পেৰেডৰ অনুশীলন চলাই আছে। ৰাজ্যৰ কেইটামান উগ্ৰপন্থী সংগঠনে স্বাধীনতা দিৱস বৰ্জনৰ বাবে জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰত প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ৰে'ল সুৰক্ষা বাহিনীৰ ৰে'ল ষ্টেচনত স্নিফাৰ ডগৰ সহায়ত সুৰক্ষা ব্যৱস্থাৰ তদাৰক কৰি আছে। ৰে'ল লাইন আৰু অন্যান্য স্থানত তালাচী অব্যাহত আছে। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাৰ কেন্দ্ৰীয় কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ বিপৰীতে মন্ত্ৰী আৰু বিধায়কসকলে বিভিন্ন জিলাত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

স্বাধীনতা দিৱসৰ উপলক্ষ্যত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে ছহেজাৰ পতাকা প্ৰস্তুত কৰি উলিয়াইছে। মহানগৰৰ বিভিন্ন বিপনীত তিনি বৰণীয়া জাতীয় পতাকা উভৈনদী হৈ পৰা দেখা গৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়তো ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। সেই অনুসৰি ১৫ আগষ্টৰ পুৱা ৮ বজাত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ইপিনে ৰাজ্যৰ বিভিন্ন জিলাতো চৰকাৰী-বেচৰকাৰীভাৱে স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলিছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি পুৱা নতুন দিল্লীত ভাৰত মণ্ডপমৰ পৰা পতাকা জোকাৰি হৰ ঘৰ তিৰংগা মটৰ চাইকেল সমদলৰ শুভাৰম্ভ কৰে। কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, ৰাম মোহন নাইডু কিঞ্জাৰাপু, কিৰেণ ৰিজিজু আৰু মনসুখ মন্দাভিয়া এই অনুষ্ঠানত উপস্থিত থাকে। মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামত এই মটৰ চাইকেল সমদলৰ সামৰণি পৰে।

এই উপলক্ষে উপ-ৰাষ্ট্ৰপতি ধনখড়ে কয় যে স্বাধীনতা দিৱসত ঘৰে ঘৰে ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰাৰ উদ্দেশ্যে হৰ ঘৰ তিৰংগা অভিযান আৰম্ভ কৰা হৈছে। তেওঁ কয় যে এই অভিযান ইতিমধ্যে আন্দোলনত পৰিণত হৈছে আৰু কোটি কোটি লোকে নিজৰ বাসগৃহত পতাকা উত্তোলন কৰিছে। হৰ ঘৰ তিৰংগা অভিযানে দেশৰ স্বাধীনতা, গৌৰৱ আৰু বিকশিত ভাৰতৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে বুলি উপ-ৰাষ্ট্ৰপতিয়ে মন্তব্য কৰে।

অসমতো জিলাই জিলাই হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত কাৰ্যসূচী অব্যাহত আছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত তিৰংগা যাত্ৰাত অংশ লয়। এই যাত্ৰাত অংশ লোৱাৰ পূৰ্বে শ্বহীদ কুশল কোঁৱৰৰ প্ৰতিমূৰ্তিৰ সন্মুখত শ্ৰদ্ধা নিবেদন কৰে।

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্দোগত আজি হৰ ঘৰ তিৰংগা অভিযানৰ সৈতে সংগতি ৰাখি মটৰ চাইকেল সমদল উলিওৱা হয়। এই সমদলত পাঁচশতাধিক ব্যক্তিয়ে অংশগ্ৰহণ কৰে। তিনিচুকীয়া চহৰত আজি এই উপলক্ষে কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হয়। তিনিচুকীয়াৰ বিধায়ক তথা ৰাজ্যৰ শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণে তিনিচুকীয়া  পৌৰ সভা কাৰ্যালয়ৰ পৰা ত্ৰিৰংগা দৌৰ শুভাৰম্ভ কৰে। তেওঁ কয় যে, এই কাৰ্যসূচীৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনৰ লগতে দেশৰ প্ৰতি প্ৰেম আৰু দায়বদ্ধতাৰ ভাব মানুহৰ মনত জাগ্ৰত হ'ব। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীৰ উপস্থিতিত স্বাক্ষৰ অভিযান আৰু মটৰ চাইকেল সমদল উলিওৱা হয়। গোলাঘাট জিলাত বিধায়ক বিশ্বজিৎ ফুকনৰ নেতৃত্ব আজি হৰ ঘৰ তিৰংগা অভিযান কাৰ্যসূচী গ্ৰহণ কৰা হয়। তদুপৰি জিলা ৰাজহচক্ৰ বিষয়া কৰ্যালয়ৰ উদ্যোগত ত্ৰিৰংগা মেলা মুকলি কৰা হয়। যোৰহাট জিলাত আজি এই উপলক্ষে আয়োজিত সজাগতা সমদলৰ আৰক্ষী অধীক্ষকগৰাকীয়ে শুভাৰম্ভ কৰে। শোণিতপুৰ, লখিমপুৰকে ধৰি আন কেইবাখনো জিলাত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

গোৱালপাৰা জিলা প্ৰশাসনে আজি জিলা আয়ুক্ত কাৰ্যালয় চৌহদৰ পৰা ত্ৰিৰংগ পতাকাসহ এটা শোভাযাত্ৰা উলিয়ায়। আয়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী, চি আৰ পি এফ জোৱান, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজে এই শোভাযাত্ৰাত অংশ লয়। ইফালে গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত আজি বিয়লি দেশভক্তিমূলক গীত আৰু নৃত্যৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। ধুবুৰী জিলাতো এই কাৰ্যসূচী অব্যাহত আছে। আনহাতে ধুবুৰী আৰক্ষীৰ লোকসকল স্বাধীনতা দিৱসৰ বাবে কুচকাৱাজৰ অনুশীলনত ব্যস্ত হৈ আছে। জিলাখনৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত অনুষ্ঠিত অনুশীলনত আৰক্ষীৰ লগতে এন চি চি আৰু স্কাউট এণ্ড গাইডৰ সদস্যসকলে অংশ লৈছে।

কামৰূপ মহানগৰ জিলা প্ৰশাসনে আজি হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অংশ হিচাপে এটা মটৰ চাইকেল সমদল উলিয়ায়। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ তিৰংগা ৰান শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হয়।

তামুলপুৰ জিলাত আজি জিলাখনৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই তিৰংগা যাত্ৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে কাৰ্যসূচীৰ শুভাৰম্ভ কৰি সকলোকে নিজ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনায়।

ইপিনে দৰং জিলাত আজি এই কাৰ্যসূচীৰ অংশ হিচাপে মটৰ চাইকেল সমদল আৰু পদ যাত্ৰা কাৰ্যসূচী সম্পন্ন হয়।

০০০০০

স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত আকাশবাণী গুৱাহাটীৰ বাতৰি প্ৰচাৰৰ সময় কিছু সালসলনি কৰা হৈছে। এই অনুসৰি কাইলৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি দিবলগীয়া ভাষণৰ পৰিপ্ৰেক্ষিতত সন্ধিয়া সাত বাজি ১০ মিনিটৰ বাতৰি সাত বাজি ৪০ মিনিটত আৰু জিলাৰ ৰেহৰূপ সাত বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। আনহাতে পৰহিলৈ অৰ্থাৎ ১৫ আগষ্টৰ পুৱা সাত বাজি পাঁচ মিনিটৰ বাতৰি ছয় বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। ইপিনে ১৫ আগষ্টৰ দিনৰ চাৰে ৯ বজাত ৰাজ্যপালৰ ভাষণ আৰু নিশা চাৰে ৯ বজাত প্ৰধানমন্ত্ৰীৰ ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰা হ'ব।

০০০০০

পেৰিছ অলিম্পিকত অংশগ্ৰহণ কৰি অসমলৈ উভতি অহা বক্সাৰ লাভলীনা বৰগোহাঁইক আজি গুৱাহাটীত সম্বৰ্ধনা জনোৱা হয়। অসম এমেচাৰ বক্সিং এছ'চিয়েচনৰ উদ্যোগত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত লাভলীনাই পেৰিছ অলিম্পিকৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে। উল্লেখযোগ্য যে পেৰিছ অলিম্পিকৰ মহিলা বক্সিঙৰ ৭৫ কেজি ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত লাভলীনা পৰাজিত হৈছে। চীনৰ লী কিয়ানৰ বিৰুদ্ধে পৰাস্ত হৈ পদকৰ পৰা বঞ্চিত হোৱাত কিছু হতাশ হোৱা বুলি খেলুৱৈগৰাকীয়ে উল্লেখ কৰে। অৱশ্যে ভুলৰ পৰা শিক্ষা লৈ বক্সিং ৰিঙত পুনৰ দুৰ্দান্ত প্ৰদৰ্শন কৰিব বুলি লাভলীনাই দৃঢ়তা প্ৰকাশ কৰে। লাভলীনাই ২০২০ চনৰ টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত হোৱা কৃত্ৰিম বানৰ বাবে পুনৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, যোৰাবাটত অবিজ্ঞান সন্মতভাৱে পাহাৰ খননৰ ফলত গুৱাহাটীত কৃত্ৰিম বানৰ সমস্যা উদ্ভৱ হৈছে। এইক্ষেত্ৰত গুৱাহাটীৰ বান সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰখা বুলি তেওঁ মন্তব্য কৰে। এটা বিশেষজ্ঞ দলৰ জৰিয়তে ৰাজ্য চৰকাৰে বান নিয়ন্ত্ৰণ কৰাৰ দিশে অগ্ৰসৰ হোৱা বুলি উল্লেখ কৰাৰ লগতে তেওঁ গুৱাহাটীবাসীক এইক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰী ভূপেন্দৰ যাদৱে কালি অসমৰ এগৰাকী প্ৰাক্তন বনকৰ্মী প্ৰয়াত বুবুল গগৈক মৰণোত্তৰভাৱে **গজ গৌৰৱ** বঁটা প্ৰদান কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ পৰা এই বঁটা লাভ কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে, এয়া প্ৰকৃতাৰ্থত ৰাজ্যৰ বন বিভাগত নিষ্ঠাৰে সেৱা আগবঢ়াই যোৱাৰ উল্লেখনীয় অৱদানৰ স্বীকৃতি। হাতী সংৰক্ষণৰ ক্ষেত্ৰত প্ৰয়াত বুবুল গগৈয়ে অসামান্য অৱদান আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

মন্ত্ৰী অতুল বৰাই আজি লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে জিলাখনৰ বিধায়ক, সাংসদ আৰু জিলা আয়ুক্তৰ লগতে বিভিন্ন বিভাগৰ বিষয়াৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আলোচনাত মিলিত হয়। এই বৈঠকত বানত ক্ষতিগ্ৰস্ত পৰিয়ালক পুনৰ সংস্থাপনৰ বাবে অনুদান প্ৰদান কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰী শ্ৰী বৰাই বৈঠকত হিতাধিকাৰীৰ তালিকা পুনৰ পৰীক্ষণকে ধৰি আন বিভিন্ন কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে নিৰ্ধাৰণ কৰা সময়সীমাৰ ভিতৰত ক্ষতিগ্ৰস্ত পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰা বিষয়তো বৈঠকত আলোচনা কৰা হয়। ৰাইজৰ সুবিধাৰ বাবে নিৰ্দিষ্ট সময়ৰ ভিতৰত সকলো কাম সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে লখিমপুৰ জিলা আয়ুক্তৰ লগতে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। বৈঠকত

মন্ত্ৰীগৰাকীয়ে হৰ ঘৰ তিৰংগা, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল অসম অভিযান, অমৃত বৃক্ষ আন্দোলনকে ধৰি ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰো মূল্যায়ন কৰে।

ooooo

মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কেইবাখন বিদ্যালয়ৰ ছাত্ৰীৰ মাজত নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সমষ্টিটোৰ অন্তৰ্গত কুঠৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২৬ গৰাকী ছাত্ৰী, জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৬০ গৰাকী, কলিয়াবৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৮০ গৰাকী, কুঁৱৰীটোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫১ গৰাকী আৰু বৰভগীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২৪ গৰাকী ছাত্ৰীৰ মাজত এই আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কৰা হয়।

ইপিনে বঙাইগাঁৱৰ বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত আজি নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কৰা হয়। বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে ছাত্ৰীসকলৰ মাজত এই আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কৰে। সাংসদ শ্ৰী চৌধুৰীয়ে কয় যে, নিযুত মইনা আঁচনিখন দুখীয়া ছাত্ৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত সহায়ক হ'ব। উল্লেখযোগ্য যে এই আঁচনিৰ অধীনত একাদশ শ্ৰেণীৰ ছাত্ৰীলৈ প্ৰতিমাহে এহেজাৰ টকাকৈ, স্নাতক পৰ্যায়ৰ ছাত্ৰীলৈ এহেজাৰ ২৫০ টকা, স্নাতকোত্তৰ আৰু বিএড পাঠ্যক্ৰমৰ ছাত্ৰীলৈ প্ৰতিমাহে ২ হাজাৰ ৫০০ টকাকৈ আগবঢ়োৱা হ'ব।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি বিগত কিছুদিন ধৰি সন্ধানহীন হৈ থকা বিশিষ্ট সংগীত শিল্পী ৰমেন বৰুৱাৰ লতাশিলৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ সদস্যৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে শিল্পীগৰাকীৰ ভাতৃ তথা কণ্ঠশিল্পী দীপেন বৰুৱাকে ধৰি পৰিয়ালৰ অন্যান্য সদস্যসকলৰ সৈতে কথা পাতে। সংবাদ মাধ্যমৰ মুখ্যমন্ত্ৰীয়ে কয় যে শিল্পীগৰাকী সন্ধানহীন হোৱাৰ ২৩ দিন পাছতো আৰক্ষীয়ে অক্লান্ত পৰিশ্ৰম কৰিও তেওঁৰ সন্ধান উলিয়াবলৈ সমৰ্থ হোৱা নাই। মুখ্যমন্ত্ৰীয়ে বৰুৱাৰ পৰিয়ালটোৰ সৈতে থকা মধুৰ সম্পৰ্কৰ বিষয়েও সাংবাদিকৰ আগত সোঁৱৰণ কৰে।

ooooo

চিৰাং আৰু কোকৰাঝাৰ জিলা আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই নৱগঠিত উগ্ৰপন্থী সংগঠনৰ শীৰ্ষ পৰ্যায়ৰ নেতাসহ ২০ গৰাকী সদস্যক গ্ৰেপ্তাৰ কৰাৰ বিষয়টোক লৈ বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। চিৰাঙৰ বিজনীত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য শ্ৰী বড়োৱে কয় যে, অসম আৰক্ষীয়ে সক্ৰিয়ভাৱে কাম কৰাৰ বাবে উগ্ৰপন্থী সংগঠনৰ নেতা, সদস্যৰ লগতে মাৰণাস্ত্ৰ আৰু বিস্ফোৰক সামগ্ৰী ধৰা পৰিছে। চিৰাং জিলাৰ বিজনীৰ ২ নম্বৰ ভেটাগাঁৱত অনুষ্ঠিত ইউ পি পি এলৰ যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ এই মন্তব্য কৰে।

ooooo

অসম বেডমিণ্টন সন্থাৰ উদ্যোগত গুৱাহাটীত অনুষ্ঠিত ৭২ সংখ্যক আন্তঃজিলা বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড দলীয় শাখাত কামৰূপ জিলাই খিতাপ অৰ্জন কৰে। যোৱা নিশা অনুষ্ঠিত ফাইনেলত কামৰূপে শিৱসাগৰক পৰাস্ত কৰে। গুৱাহাটী আৰু ডিব্ৰুগড়ে তৃতীয় স্থানত থাকি ব্ৰঞ্জৰ পদক লাভ কৰে। ইপিনে ৭ বছৰ অনূৰ্ধৰ শাখাত শিলচৰৰ শিৱাংশ শ্বৰে চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। ডিগবৈৰ ত্ৰিনয়ন বৰফুকনে দ্বিতীয় স্থান দখল কৰে।

০০০০০

শিৰসাগৰত আজি স্থানীয় ৰাইজৰ তৎপৰতাত মাদক দ্ৰব্যৰ চাৰিজন সৰবৰাহকাৰীক আটক কৰা হয়। ৰাইজে চহৰখনৰ চুকৰ গাঁৱৰ পৰা লোক কেইজনক কৰায়ত্ব কৰি আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে লোক কেইজনৰ পৰা মাদকদ্ৰব্য ভৰ্তি দুটা টেমা বজ্‌ক কৰে। আটকাধীন লোককেইজন নগাঁও আৰু বৰপেটাৰ বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

ধুবুৰীৰ শৌলমাৰি আৰক্ষীৰ এটা দলে গোপন তথ্যৰ ভিত্তিত বেপাৰীপাৰা অঞ্চলত অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰাৰ লগতে এটা সৰবৰাহকাৰীক আটক কৰে। লোকজনৰ পৰা আৰক্ষীয়ে ব্ৰাউনচুগাৰ ভৰ্তি ৪০টা টেমা জব্দ কৰে। আৰক্ষীয়ে লোকজনক শৌলমাৰি আৰক্ষী চকীলৈ আনি তদন্ত অব্যাহত ৰাখিছে।০০০০

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়েহে আজি আয় বহিৰ্ভূত সম্পত্তি অৰ্জনৰ গোচৰত ডিফু চিকিৎসা মহাবিদ্যালয়ৰ এনাচথেচিয়া বিভাগৰ সহযোগী অধ্যাপক ডাঃ মৃদুপৱন নাথৰ অন্তৰৰ্তীকালীন জামিন আবেদন নাকচ কৰে। এই সন্দৰ্ভত দাখিল হোৱা গোচৰত গ্ৰেপ্তাৰ হোৱাৰ আশংকাত ডাঃ নাথে আগতীয়াকৈ জামিন বিচাৰি উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল যদিও ন্যায়ালয়ে তেওঁক অন্তৰৰ্তীকালীন সকাহ দিবলৈ অস্বীকাৰ কৰিছে। ন্যায়ালয়ে লগতে অহা ১৬ আগষ্টত গোচৰটোৰ কেচ ডায়েৰী দাখিল কৰিবলৈ তদন্তকাৰী বিষয়াক নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, ডাঃ নাথে আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ লগতে অনুমতিবিহীনভাৱে বিদেশ ভ্ৰমণ কৰাৰ অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষে গোচৰ ৰুজু কৰিছে। এই সংক্ৰান্তত পূৰ্বে তদাৰকী কোষে তেওঁক জেৰাও কৰিছিল।

০০০০০

সমাপ্ত